অসম

ফাঁচীবজাৰত বহিঃৰাজ্যৰ ব্যৱসায়ীৰ দাদাগিৰি! অসমীয়া ব্যৱসায়ীক ছুৰিকাঘাত!

ফাঁচীবজাৰৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানত পদপথৰ এজন যুৱ ব্যৱসায়ীক আবদ্ধ কৰি প্ৰহাৰ আৰু ছুৰিকাঘাত কৰাৰ অভিযোগ উঠিছে। আৰক্ষীয়ে অভিযুক্তক কৰায়ত্ত কৰি আহত যুৱকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

প্ৰকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৫৩ আপডেট: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৪



(SOCIAL MEDIA)

গুৱাহাটী, ১২ নৱেম্বৰ: মহানগৰীৰ ফাঁচীবজাৰত পদপথৰ এজন অসমীয়া যুৱ ব্যৱসায়ীক এখন দোকানৰ ভিতৰত আবদ্ধ কৰি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰাৰ লগতে ছুৰিকাঘাত বহিঃৰাজ্যৰ ব্যৱসায়ীৰ ।

ফাঁচীবজাৰস্থিত ‘বম্বে বিউটি বজাৰ’ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, দিল্লীৰ পৰা অহা বহিৰাগত ব্যৱসায়ীয়ে যুৱকজনক বলপূৰ্বকভাৱে দোকানখনৰ ভিতৰলৈ টানি নিয়ে।

ইয়াৰ পাছত মালিকসহ পাঁচজনীয়া এটা দলে যুৱকজনক উপর্যুপৰি প্ৰহাৰ কৰাৰ লগতে ছুৰিকাঘাত কৰে বুলি অভিযোগ কৰা হৈছে। এই ঘটনাক কেন্দ্ৰ কৰি ফাঁচীবজাৰ অঞ্চলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়।

খবৰ পোৱাৰ পাছতে পাণবজাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আৰক্ষীয়ে

তাৎক্ষণিকভাৱে আক্ৰমণৰ অভিযোগত অভিযুক্তক কৰায়ত্ত কৰাৰ লগতে গুৰুতৰভাৱে আহত যুৱকজনক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2291/guwahati-fancy-bazar-stabbing-assault